**REGIONAL NEWS UNIT**
AKASHVANI : GUWAHATI
0000000000

**Date :** 30-03-2025
**Time :** 2125 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত কেইঘণ্টামান বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। গোৱালপাৰা আৰু কামৰূপৰ ৩৩টা পৰিষদীয় সমষ্টিত অহা ২ এপ্ৰিলত হ'বলগীয়া এই নিৰ্বাচনৰ বাবে বিজেপি, মিত্ৰদল অসম গণ পৰিষদ আৰু ৰাভা হাচং যৌথ সংগ্ৰাম সমিতিয়ে আজিও ব্যাপক প্ৰচাৰ চলায়। ইয়াৰ  লগতে কংগ্ৰেছ দল আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলেও প্ৰচাৰ তীব্ৰতৰ কৰি তোলে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে আজি কামৰূপ জিলাত প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে বামুনীগাওঁ পৰিষদীয় সমষ্টিৰ মিত্ৰজোটৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ প্ৰচাৰ চলায়।

গোৱালপাৰা জিলাত ১৯টা আৰু কামৰূপ জিলাত ১৪টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টিকেইটাত বিৰোধী কংগ্ৰেছকে ধৰি বিভিন্ন দল আৰু নিৰ্দলীয় প্ৰাৰ্থী সকলেও প্ৰচাৰ অব্যাহত ৰাখিছে।

উল্লেখযোগ্য যে পৰিষদৰ ৪০ খন আসনৰ ভিতৰত ৪ খনৰ বাবে সদস্য মনোনীত কৰা হয়। তিনিখনত এন ডি এৰ প্ৰাৰ্থী তিনিগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। ৩৩ খন আসনৰ বাবে ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooo

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে ডিব্ৰুগড় জিলাৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন অহা ১ এপ্ৰিলৰ পৰা প্ৰত্যাহাৰ কৰিছে বুলি আজি অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰৰ প্ৰতিবেদন অনুসৰি ডিব্ৰুগড় জিলাৰ আইন-শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় গৃহ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে ৰাজ্যখনৰ চৰাইদেউ, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাক অশান্ত অঞ্চল ঘোষণা কৰি সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন ৩১ মাৰ্চলৈকে বলবৎ কৰা আছে। এই নিৰ্দেশ অনুসৰি অহা ১ এপ্ৰিলৰ পৰা অসমৰ তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ জিলাত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন বলবৎ থাকিব।

ooo

তিনিচুকীয়া জিলাৰ লেখাপানী বনাঞ্চলিক কাৰ্যালয়ৰ দলে অভিযান চলাই আজি অবৈধ কয়লা খনিলৈ ডিজেল কঢ়িওৱা এখন বাহন জব্দ কৰে। ঘটনাৰ তদন্ত কৰি বন বিভাগ আৰু আৰক্ষীয়ে লেখাপানীত কয়লা ব্যৱসায়ীসহ তিনিজনক আটক কৰে। ৰেট হোল মাইনিঙৰ লগত জড়িত অভিযোগত লিডুৰ কৌশিল সিং নামৰ এজন কয়লা ব্যৱসায়ীক আটক কৰে। ৰাহুল চিংফু আৰু অনিল প্ৰসাদ নামৰ অন্য দুজন যুৱককো আটক কৰা হয়।

ooo

আমিনগাঁৱত কাইলৈ কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত কামৰূপ জিলা দিৱস পালন কৰা হ'ব। এই উপলক্ষে কাইলৈ পুৱা আমিনগাঁৱৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ পৰা আগিয়াঠুৰী পাহাৰলৈ এটা ট্ৰেকিং কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কামৰূপ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এই ট্ৰেকিং কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। জিলা দিৱসৰ সৈতে সংগতি ৰাখি এখন মুকলি সভাৰো আয়োজন কৰা হৈছে। অসম চৰকাৰ পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এই মুকলি সভাত অংশগ্ৰহণ কৰিব।

০০০

পবিত্ৰ ৰমজান মাহৰ ৰোজাৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে কাইলৈ ঈদ-উল-ফিটৰ উদযাপনৰ বাবে সাজু হৈছে। ঈদ-উল-ফিটৰ উপলক্ষে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উচাহ দেখিবলৈ পোৱা গৈছে। কাইলৈ সমূহীয়া নামাজৰ বাবে মছজিদ আৰু ঈদগাহসমূহ সজাই তোলা হৈছে। তদুপৰি বাসগৃহসমূহো আটক ধুনীয়াকৈ সজাই তোলাৰ উপৰি অতিথিক আপ্যায়নৰ বাবে ঘৰে ঘৰে সুস্বাদু খাদ্য সম্ভাৰ প্ৰস্তুত কৰা হৈছে। গুৱাহাটী মহানগৰীৰ ফাঁচিবজাৰ, গণেশগুৰি, হাতীগাওঁকে ধৰি বিভিন্ন অঞ্চলৰ বজাৰসমূহত ঈদৰ সামগ্ৰী ক্ৰয় কৰাৰ বাবে জনসাধাৰণে ভিৰ কৰা পৰিলক্ষিত হৈছে।

০০০

উত্তৰ পূব সীমান্ত ৰেলৱেই গ্ৰীষ্মকালত যাত্ৰীৰ অতিৰিক্ত ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ৪ টা যাত্ৰাৰ বাবে বিশেষ ৰেল চলাচলৰ সিদ্ধান্ত লৈছে। ৰেলসমূহ অহা ১০ এপ্ৰিলৰ পৰা ৪ মে'লৈকে ছত্ৰপতি শিৱাজী মহাৰাজ টাৰ্মিনাছ আৰু নাৰেংগী ষ্টেছনৰ মাজত আৰু ৬ ৰ পৰা ২৯ এপ্ৰিললৈ কোলহাপুৰ আৰু কাটিহাৰৰ মাজত প্ৰতিটো দিশত ৪ টা যাত্ৰাৰ বাবে চলাচল কৰোৱা হ'ব। ০১০৬৫ নম্বৰৰ বিশেষ ৰেলখন ১০ এপ্ৰিলৰ দিনৰ এঘাৰ বাজি ৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছৰ পৰা যাত্ৰা কৰি ১২ এপ্ৰিলৰ দিনৰ এঘাৰ বজাত নাৰেঙ্গীত উপস্থিত হ'ব। একেদৰে ০১০৬৬ নম্বৰৰ ৰেলখন ১৩ এপ্ৰিলৰ পুৱা ৫ বাজি ২৫ মিনিটত নাৰেঙ্গীৰ পৰা যাত্ৰা কৰি ১৫ এপ্ৰিলৰ পুৱা ৮ বাজি ২৫ মিনিটত ছত্ৰপতি শিৱাজী টাৰ্মিনাছত উপস্থিত হ'ব বুলি উত্তৰ পূব সীমান্ত ৰেলৱেৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দিল্লীত আজি অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিপক্ষে ৭ উইকেটত জয়লাভ কৰে।

গুৱাহাটীত অনুষ্ঠিত আন এখন খেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৮২ ৰাণ সংগ্ৰহ কৰে। ৰাজস্থান ৰয়েলছৰ হৈ নিতিশ ৰানাই আকৰ্ষণীয় বেটিঙেৰে ৩৬টা বলত ৮১ ৰাণ কৰে আৰু অধিনায়ক ৰিয়ান পৰাগে ২৮টা বলত ৩৭ ৰাণ কৰে।

০০০

সমাপ্ত